এটা কথা আমি উপলব্ধি কৰিছোঁ যে দেশত দিনে দিনে অনুসূচিত জাতি-জনগোষ্ঠী বাঢ়ি গৈ আছে। এসময়ত সকলোৱে জনগোষ্ঠীৰ মৰ্যাদা বিচাৰিব। যেনেদৰে ছটা জনগোষ্ঠী—মৰাণ, মটক, কোচ, আহোম, চুতীয়া, চাহ জনগোষ্ঠীয়ে জনগোষ্ঠীৰ মৰ্যাদা বিচাৰিছে। সেইদৰে কলিতায়ো জনগোষ্ঠীৰ মৰ্যাদা বিচাৰিছে। গতিকে অসমত থাকিলনো কোন? মোৰ বোধেৰে সকলোকে জনগোষ্ঠীৰ মৰ্যাদা দি অন্ততঃ শিক্ষা, স্বাস্থ্য, কাৰিকৰী বিভাগক সংৰক্ষণ মুক্ত কৰক।

**অৰূপজ্যোতি হাজৰিকা,**
টীয়ক পৰ্বতীয়া, ডাক ঃ জখৰীয়া,
যোৰহাট-৭৮৫১১২, ফোন ঃ ৯৯৫৪৯৭৮৩৮১

## ত্ৰিকন্যালয়ৰ কথাৰে

স্বামীৰ চাকৰিৰ পৰা অৱসৰ লোৱাৰ বাবে গুৱাহাটীলৈ আহি মাহেকে-পষেকে নামঘৰ এটাত মূৰ দোঁৱাবলৈ বুলি নামঘৰ এটা বিচৰাত স্বামীৰ বন্ধু এজনে ক'লে— ত্ৰিকন্যালয়লৈ যাব পাৰা। তাতেই এটা আটকধুনীয়া নামঘৰ আছে। সেয়ে আমি দুয়ো ত্ৰিকন্যালয়ত উপস্থিত হৈ অভিভূত হ'লোঁ। তিনি ঠাইৰ তিনিগৰাকী অবিবাহিতা মহিলা। তিনিগৰাকীয়েই চৰকাৰী চাকৰিয়াল। চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি মাটি কিনি আটকধুনীয়াকৈ ঘৰ সাজি নামঘৰৰ কাষতে বাস কৰে। নামঘৰৰ মাটি তেওঁলোকেই দান দিয়া। তেওঁলোকৰ এগৰাকী শিৱসাগৰৰ, এগৰাকী গোলাঘাটৰ আৰু আনগৰাকী গোৱালপাৰাৰ গৌৰীপুৰৰ। গোৱালপাৰাৰগৰাকী লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ লগৰীয়া। সৰুকালত একে শ্ৰেণীতে পঢ়া-শুনা কৰা তিনিগৰাকীয়েই সামাজিক কামতেই নিজকে নিয়োজিত কৰি এখন সুখৰ সংসাৰ চলাই আছে বিবাহিত পৰিয়ালৰ দৰে। কথোপকথনত শিৱসাগৰৰ ডাঙৰ বাইদেউগৰাকীয়ে ক'লে—মই স্কুটাৰ চলাই সামাজিক কামত ঘূৰি ফুৰোঁতে ব্যস্ত থাকি বিয়া-বাৰু বাদেই পৰিল। সেয়ে ভাবিলোঁ ৰহণৰ ৰহদৈ/ তিপামৰ ভাদৈ/ শ'লগুৰিৰ আঘোণীবাই/ তিনি বাইভনী কান্দে ডিঙিত ধৰি/ সম্বন্ধত একোৰেই নাই।

এই প্ৰবচনফাকি মযেই বাস্তৱত ৰূপ দিওঁ বুলি আমি তিনিগৰাকীয়ে বাস্তৱ ৰূপ দি এতিয়ালৈকে এই বিয়লি বেলালৈকে সুখে-সন্তোষে আছোঁ।

ত্ৰিকন্যালয়ৰ বাইদেৱে আমাক ৰহণৰ ৰহদৈ বুলি কৈছিল। সেয়ে প্ৰান্তিকৰ পত্ৰালাপত ৰহাৰ ৰহদৈ নে ৰহণৰ বুলি প্ৰকাশ পোৱা চিঠিখনৰ আঁত ধৰি ৰহণৰহে হ'ব লাগে যেন লাগে।

ত্ৰিকন্যালয়ৰ প্ৰথম দিনাৰ মধুৰ স্মৃতি হৃদয়ংগম কৰি আজিৰ সমাজত এনে নিভাঁজ সম্বন্ধ গঢ়ি মৰম-চেনেহ, বুজাপৰাৰে যেন প্ৰতিটো পৰিয়াল ভৰি পৰক—তাৰে আশাবাদী। বাস্তৱবাদী ত্ৰিকন্যালয়ৰ বাইদেউ কেইগৰাকীৰ কথা নিজে নেদেখিলে তেওঁলোকৰ মহানুভৱতাৰ কথা বিশ্বাস কৰিব নোৱাৰি। জনা মতে তেওঁলোকৰ নিজৰ দেহো সমাজৰ বাবেই উৎসৰ্গিত কৰি ৰাখিছে।

**চিন্তামণি হাজৰিকা,**
মাৰফৎ ঃ ৰমেশ হাজৰিকা, সুপ্ৰিয়া গাৰ্ডেন
(আবাসী), ধাৰাপুৰ, ডাক ঃ ধাৰাপুৰ-৭৮১০১৭,
ফোন ঃ ৬০০২৯১৩৯৯৪

## নিবনুৱা সমস্যাৰ প্ৰত্যাহ্বান

নতুন চিন্তাধাৰাৰে এইবাৰ গঠন হৈছে এখন নতুন চৰকাৰ। চৰকাৰ একোখন নতুনকৈ গঠন হোৱাৰ পাছত সাধাৰণ ৰাইজে বহু আশাৰে বাট চাই ৰয়, কিজানিবা এইবাৰ ভাল কিবা এটা হয়েই। বৰ্তমান প্ৰতিখন ঘৰ আৰু প্ৰতিটো পৰিয়ালৰ মূল সমস্যাটো হৈছে নিবনুৱা সমস্যা। ইয়াক লৈ চৰকাৰ অথবা নিৰ্বাচিত জনপ্ৰতিনিধিসকলে বিশেষ কোনো কাৰ্যব্যৱস্থা গ্ৰহণ কৰা দেখা নাযায়। ইয়াৰ ফলত নিবনুৱা সমস্যাই ভয়ংকৰ ৰূপ ধাৰণ কৰি গৈ আছে। দুই-এজন জনপ্ৰতিনিধিয়ে নিজ নিজ সমষ্টিত নিবনুৱা সমস্যা দূৰ কৰাৰ বাবে কাম কৰা দেখা গৈছে যদিও সেয়া হৈ-চৈ কৰিবলগীয়াকৈ যথেষ্টখিনি নহয়।

দেখা গৈছে আজিৰ যুৱপ্ৰজন্মই চৰকাৰী চাকৰি এটাৰ আশাত ৰৈ নাথাকি কৰ্মসংস্কৃতি সৃষ্টি কৰি জীৱন যুদ্ধত আগবাঢ়ি যোৱাৰ সপোন দেখিবলৈ লৈছে। কিন্তু চৰকাৰৰ সহযোগিতা অবিহনে সম্পূৰ্ণৰূপে সুফল লাভ কৰাটো কোনোপধ্যেই সম্ভৱ নহয়। সময়ে সময়ে চৰকাৰে এইক্ষেত্ৰত কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে বুলি বিভিন্ন মাধ্যমত বহুল প্ৰচাৰ কৰা দেখা যায় যদিও পাছলৈ কঠোৰ দৃঢ় পদক্ষেপ গ্ৰহণ নকৰাৰ ফলত এনেবোৰ বিষয় কিছুমান মধ্যভোগীৰ হাতৰ মুঠিত থাকি যায়গৈ। কথাবোৰো প্ৰচাৰ মাধ্যমত সীমিত হৈ থাকে। ফলত জনসাধাৰণে উচিত লাভৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে।

গতিকে চৰকাৰ আৰু জনপ্ৰতিনিধিসকলে যদি নিবনুৱা সমস্যাক প্ৰত্যাহ্বান হিচাপে লৈ পবিত্ৰ মন আৰু সঁচা আন্তৰিকতাৰে কিছু কাৰ্যব্যৱস্থা গ্ৰহণ কৰে তেন্তে ভৱিষ্যতৰ সময়ত নিবনুৱা সমস্যাৰ লগতে সমাজৰ আন আন বহু সমস্যা নোহোৱা হোৱাটো স্বাভাৱিক।

**লক্ষ্যধৰ ভাগৱতী,**
গাঁও ঃ গোৱালপাৰা, ডাক ঃ বলোৱা-৭৮১৩১০,
নলবাৰী, ফোন ঃ ৬০০৩৯০৬৩০৪

## প্ৰসংগ ঃ বোধনাথ পটংগীয়া আৰু জগত চন্দ্ৰ বেজবৰুৱা

প্ৰান্তিকৰ ১-১৫ মে', ২০২১ত প্ৰকাশিত বোধনাথ পটংগীয়া আৰু জগত চন্দ্ৰ বেজবৰুৱা প্ৰসংগত কিছু কথা সংযোজন কৰিব খুজিছোঁ। প্ৰকৃততে অসমৰ তাহানিৰ প্ৰথিতযশা অভিনেতা-অভিনেত্ৰীসকলৰ বিষয়ে বিভিন্ন গ্ৰন্থ-আলোচনীত প্ৰকাশ পাই আহিছে। প্ৰশ্ন হ'ল আজিৰ প্ৰজন্মৰ দুই-এজনৰ বাদে সেইসকলৰ কথা কিমানেই বা জানে! উপেন্দ্ৰ বৰকটকীয়ে জগত চন্দ্ৰ বেজবৰুৱা সম্পৰ্কে লিখা কথাখিনি পঢ়ি আমি আপ্লুত হ'লোঁ। বেজবৰুৱাৰ অভিনয় প্ৰতিভাৰ কথা প্ৰয়াত মাতৃয়ে আমাক প্ৰায়ে কৈছিল। এষাৰ ধেমেলীয়া কথা মাতৃয়ে আমাক কোৱা আজিও মনত আছে। এবাৰ হেনো নাটকৰ বচন মাতোঁতে প্ৰয়াত বেজবৰুৱাই প্ৰম্পটাৰে (স্মাৰক) মাতি যোৱা বচন শুনা নাছিল। অস্বস্তিকৰ অৱস্থাৰ পৰা মুক্ত হ'বলৈ তেখেতে হেনো মঞ্চতে মাতিছিল—"ঘনঘোৰ অন্ধকাৰ কঁপিছে মেদিনী, প্ৰম্পটাৰে প্ৰম্পট কৰে একোকে নুশুনি।"

নটসূৰ্য ফণী শৰ্মাৰ দৰে অভিনয় প্ৰতিভা থকা চন্দ্ৰকান্ত ফুকনে (চন্দ্ৰ ফুকন) নগাঁও নাট্য মন্দিৰত কৰা অভিনয়ে এসময়ত চাঞ্চল্যৰ সৃষ্টি কৰিছিল। চন্দ্ৰ ফুকন এজন সুদক্ষ পৰিচালকো আছিল। ১৯৪৮ চন মানত নগাঁৱৰ যশস্বী নাট্যকাৰ আৰু অভিনেতা সাৰদাকান্ত বৰদলৈ, শিল্পী-ভাস্কৰ যুগল কুমাৰ দাস আৰু চন্দ্ৰকান্ত ফুকনে একেলগ হৈ 'পিয়লী ফুকন' নাটকৰ সৃষ্টি কৰিছিল। এইখন নাটকৰ সৃষ্টিত সেই সময়ৰ নগাঁৱৰ উপাযুক্ত ৰবীন্দ্ৰ খাউন্দে যথেষ্ট উৎসাহ দিছিল। সন্মিলিত প্ৰচেষ্টাত সৃষ্টি কৰা এইখনেই অসমৰ প্ৰথম নাটক বুলি আমি ক'ব পাৰোঁ নিশ্চয়। অলেখবাৰ মঞ্চস্থ হোৱা এই নাটকে জনপ্ৰিয়তাৰ শীৰ্ষত উঠিছিল। ইয়াৰ কিছু বছৰৰ পাছত ১৯৫৫ চনত নটসূৰ্য ফণী শৰ্মা ৰচিত 'পিয়লী ফুকন'ক চলচ্চিত্ৰৰ ৰূপ দিয়া হৈছিল।

আমাৰ শৈশৱত 'বিপ্লৱী' নামৰ চলচ্চিত্ৰখন নগাঁৱত চোৱা ৰিণিকি ৰিণিকি মনত পৰে। সেই ছবিখনত জগত চন্দ্ৰ বেজবৰুৱা আৰু চন্দ্ৰ ফুকনে বোধকৰোঁ অভিনয় কৰিছিল। আজি পাহৰিছোঁ। সেই কালত নগাঁৱৰ আন এজন সফল নাট্যকাৰ আৰু অভিনেতা আছিল সাৰদাকান্ত বৰদলৈ। তেখেতে ৰচনা কৰা 'মগৰীবৰ আজান', 'সেই বাটেদি', 'উপহাৰ' আদি নাটক মঞ্চস্থ কৰা হৈছিল।

বোধনাথ পটংগীয়াকে আদি কৰি এইসকল অভিনেতা, শিল্পীয়ে সমসাময়িক জনমানসত স্বীকৃতি পাইছিল যদিও সেয়া